# পঞ্চায়ত নিৰ্বাচন-২০১৮, অসম

## অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মাননীয় সভাপতি
## ৰিপুণ বৰাদেৱৰ

## ৰাইজলৈ গোহাৰি

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব।

আপোনালোক সকলোৱে জানে যে অহা ৫ আৰু ৯ ডিচেম্বৰ, ২০১৮ তাৰিখে আমাৰ ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। বৰ্তমানৰ অগপ-বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে এই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিচৰা নাছিল যদিও ন্যায়ালয়ৰ নিৰ্দেশত বাধ্যত পৰিহে তেওঁলোকে ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লৈছে। প্ৰকৃততে অগপ-বিজেপি ক্ষমতাৰ বিকেন্দ্ৰীকৰণত বিশ্বাসী নহয়। গাঁৱৰ সাধাৰণ মানুহৰ হাতলৈ ক্ষমতা হস্তান্তৰ হোৱাটো তেওঁলোকে নিবিচাৰে। সেয়ে অগপ শাসনত থকাৰ সময়ত আমাৰ ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কোনো নজিৰ নাই। ইয়াৰ বিপৰীতে যেতিয়াই কংগ্ৰেছ দল ৰাজ্যৰ শাসন ক্ষমতালৈ আহিছে, তেতিয়াই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰি গাঁৱৰ মানুহৰ হাত শক্তিশালী কৰাৰ ব্যৱস্থা কৰিছে। প্ৰকৃততে ভাৰতীয় জাতীয় কংগ্ৰেছ দলে তাহানীৰেপৰা গাঁৱৰ সহজ-সৰল মানুহখিনিৰ উন্নতিৰ হকে তথা দুখীয়া মানুহৰ স্বাৰ্থত কাম কৰি আহিছে। বিজেপিৰ দৰে কেৱল ধনী মানুহকহে চিনি পোৱা, পুঁজিপতিৰ স্বাৰ্থতহে কাম কৰা দল নহয় কংগ্ৰেছ। গাঁৱৰ মানুহৰ উন্নতি বিচাৰে বাবেই কংগ্ৰেছ দলে জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত প্ৰথমে এই দেশত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। গান্ধীজীয়ে এই কথা গভীৰভাৱে উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষৰ আত্মা গাঁৱত লুকাই আছে। যিহেতু ভাৰতবৰ্ষৰ অধিকাংশ লোকেই গাঁৱত বাস কৰে, গতিকে গাঁৱৰ উন্নয়ন নহ'লে ভাৰতবৰ্ষৰ উন্নয়ন অসম্ভৱ। গাঁও ক্ষমতাশীল নহ'লে ভাৰতবৰ্ষ ক্ষমতাশীল হ'ব নোৱাৰে। সেইদৰেই গাঁওবাসীৰ উন্নতি নহ'লে ভাৰতবৰ্ষৰপৰা দৰিদ্ৰতা দূৰীকৰণো সম্ভৱ নহয়। এই কথাসমূহ উপলব্ধি কৰিয়েই কংগ্ৰেছে এই দেশত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। পৰৱৰ্তী সময়ত জৱাহৰলাল নেহৰুজী, ইন্দিৰা গান্ধীজীকে ধৰি কংগ্ৰেছ নেতৃত্বই পৰ্যায়ক্ৰমে এই পঞ্চায়তীৰাজ ব্যৱস্থাটোক বিভিন্ন আইনৰ যোগেদি তৃণমূললৈ লৈ গৈছিল। যুৱ নেতা ৰাজীৱ গান্ধীজী প্ৰধানমন্ত্ৰী হোৱাৰ পিছত তেওঁ এইকথা উপলব্ধি কৰিলে যে যদিহে পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক মৰ্যাদা দিয়া নহয়, তেনেহ'লে প্ৰকৃত অৰ্থত ক্ষমতাৰ হস্তান্তৰ সুদূৰ পৰাহত হৈ ৰ'ব। সৎ সাহসৰ পৰিচয় দি দেশৰ তদানীন্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে আনকি এইকথাও অকপটে স্বীকাৰ কৰিছিল যে দিল্লীয়ে গাঁৱলৈ বুলি আগবঢ়োৱা ১০০ টকাৰ ৮৫ টকাই মাজবাটত হৰলুকি হয়। অৰ্থাৎ ১০০ টকাৰ মাত্ৰ ১৫ টকাহে গাঁৱৰ মানুহৰ হাতত পৰে। এনে পৰিপ্ৰেক্ষিততে গাঁৱৰ ৰাইজৰ উন্নয়ন তীব্ৰতৰ কৰাৰ স্বাৰ্থত ৰাজীৱ গান্ধীজীয়ে সংবিধানৰ ৭৪ তম সংশোধনীৰ জৰিয়তে এক বৈপ্লৱিক সিদ্ধান্ত লৈছিল আৰু পঞ্চায়তক প্ৰকৃত অৰ্থত স্থানীয় চৰকাৰৰ মৰ্যাদা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল, যাতে এই ব্যৱস্থাৰ জৰিয়তে গাঁৱৰ ৰাইজে নিজেই নিজক শাসন কৰাৰ লগতে দেশৰ অৰ্থনৈতিক উন্নয়নত অংশগ্ৰহণৰ সুযোগ পায়। ১৯৮৯ চনৰ কংগ্ৰেছ অধিৱেশনত পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক সুৰক্ষা প্ৰদানৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। পিছে,কংগ্ৰেছ দলে এইদৰে স্বাধীনতাৰ আগৰেপৰা বৰ্তমানলৈকে

গাঁৱৰ মানুহৰ হাতলৈ প্ৰকৃতাৰ্থত ক্ষমতা হস্তান্তৰ কৰাৰ স্বাৰ্থত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহাৰ বিপৰীতে বিজেপি আৰু অগপ দলে ক্ষমতা কুক্ষিগত কৰি ৰাখিবলৈ বিচৰাহে দেখা যায়। সেই কাৰণেই ১৯৮৫ চনত চৰকাৰ গঠন কৰাৰ পিছত অগপই ক্ষমতাত থকা পাঁচবছৰীয়া কালছোৱাত ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা নাছিল। ইয়াৰ বিপৰীতে ১৯৯১ চনত হিতেশ্বৰ শইকীয়াদেৱৰ নেতৃত্বত কংগ্ৰেছ দলে চৰকাৰ গঠন কৰাৰ পিছত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰি গাঁৱৰ মানুহৰ হাতলৈ ক্ষমতা হস্তান্তৰৰ ব্যৱস্থা কৰিছিল। কংগ্ৰেছে যে আন্তৰিকতাৰে গাঁৱৰ উন্নয়নত, সৰ্বসাধাৰণৰ উন্নয়নত বিশ্বাস কৰে তাৰ প্ৰমাণ হৈছে চাহ বাগিছা অঞ্চলকো পঞ্চায়তীৰাজ ব্যৱস্থাৰ আওঁতালৈ অনাটো। চাহ বাগিছাৰ শ্ৰমিকসকলে দীৰ্ঘদিন ধৰি এক কদৰ্যময় পৰিৱেশত বসবাস কৰিছিল, বাট-পথকে ধৰি কোনোধৰণৰ উন্নয়নৰ মুখ তেওঁলোকে দেখা নাছিল, কোম্পানীৰ মালিকৰ ওপৰত তেওঁলোকৰ জীৱন নিৰ্ভৰশীল আছিল। কিন্তু কংগ্ৰেছে বাগিছাৰ শ্ৰমিকসকলক সৱলীকৰণৰ বাবে, তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে, তেওঁলোকৰ দৰিদ্ৰতা দূৰীকৰণৰ বাবে তথা তেওঁলোকক সামাজিকভাৱে আগবঢ়াই লৈ যাবৰ বাবে আৰু দেশৰ গণতান্ত্ৰিক ব্যৱস্থাত তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰিবৰ বাবে ৰাজ্যৰ চাহবাগিছাসমূহক পঞ্চায়তৰ আওঁতালৈ অনাৰ ব্যৱস্থা কৰিছিল। হিতেশ্বৰ শইকীয়াদেৱৰ দিনতে প্ৰৱৰ্তন কৰা এই পঞ্চায়ত ব্যৱস্থা চাহ বাগিছা অঞ্চলত আজিও চলি আছে, যাৰ ফলত চাহ-বাগিছাৰ শ্ৰমিকসকলে এটুপি পানীৰ কাৰণে, এটা কালভাৰ্ট অথবা এটা ৰাস্তাৰ কাৰণে কোম্পানীৰ মালিকৰ মুখলৈ চাই থাকিবলগীয়া হোৱা দিনবোৰৰ অৱসান ঘটিছে আৰু বাগিছা অঞ্চলতো সমানে গ্ৰাম্য উন্নয়ন সম্ভৱ হৈ পৰিছে। আশ্চৰ্যজনকভাৱে ১৯৯৬ চনত অগপ পুনৰ ৰাজ্যৰ শাসন ক্ষমতালৈ অহাৰ পিছত ৰাজ্যখনত পুনৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। তেতিয়া কেন্দ্ৰত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰ আছিল আৰু অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া দেশৰ প্ৰধানমন্ত্ৰী আছিল। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰিবলগীয়া পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰি অগপ চৰকাৰে সংবিধান উলংঘা কৰাৰ প্ৰতিবাদত আৰু ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবীত তথা গাঁৱৰ মানুহৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰাৰ দাবীত সেইছোৱা সময়ত কংগ্ৰেছে ৰাজপথত প্ৰতিবাদ কৰিছিল, আদালতৰ দ্বাৰস্থ হৈছিল আৰু ক্ষমতালৈ ঘূৰি আহিলে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ২০০১ চনত তৰুণ গগৈদেৱৰ নেতৃত্বত অসমত কংগ্ৰেছ চৰকাৰ গঠন হোৱাৰ পিছত প্ৰতিশ্ৰুতি ৰক্ষা কৰি শাসনলৈ অহাৰ প্ৰথম বছৰৰ ভিতৰতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিছিল আৰু কংগ্ৰেছৰ ১৫ বছৰীয়া শাসন কালত প্ৰতি ৫ বছৰৰ মূৰে মূৰে নিয়মীয়াকৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। ২০০১ চনৰপৰা ২০১৬ চনলৈ কংগ্ৰেছ চৰকাৰৰ আমোলত অসমৰ পঞ্চায়তসমূহত বহুসংখ্যক অভিলাসী আঁচনি ৰূপায়ন কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল অসম বিকাশ যোজনাৰ অধীনত গ্ৰামাঞ্চলৰ লাখ লাখ যুৱতীক কমসংস্থাপন, সাংস্কৃতিক চৰ্চাৰ বাবে প্ৰতিটো উন্নয়ন খণ্ডতে 'ড° ভূপেন হাজৰিকা মুকলি মঞ্চ আৰু উদ্যান' নিৰ্মাণ, গ্ৰামীণ অৰ্থনীতিৰ সবলীকৰণৰ বাবে প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ স্বৰ্গদেউ ৰুদ্ৰসিংহ আদৰ্শ পুখুৰী নিৰ্মাণ, ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ বাবে

প্ৰতিটো উন্নয়ন খণ্ডত একোখনকৈ ‘ৰাজীৱ গান্ধী গ্ৰাম্য ক্ৰীড়া প্ৰকল্প’ আৰু ‘পণ্ডিত জৱাহৰলাল নেহৰু গ্ৰামীণ ক্ৰীড়া প্ৰকল্প’ নিৰ্মাণ, গাঁৱৰ বাট-পথৰ উন্নয়নৰ স্বাৰ্থত ‘ইন্দিৰা গান্ধী আদৰ্শ গ্ৰামীণ পকীপথ আঁচনি’ আৰু ‘শ্বহীদ কুশল কোঁৱৰ পকী পথ নিৰ্মাণ আঁচনি’ ৰূপায়ণ, ‘শিশু সেউজ প্ৰকল্প আঁচনি’ ৰূপায়ণ, ৮০ বছৰ ঊৰ্ধৰ দৰিদ্ৰ লোকক বৃদ্ধ পেঞ্চন প্ৰদান, বিকলাংগ লোক আৰু বিধৱা মহিলালৈ মাহিলী সাহায্য প্ৰদান, পঞ্চায়ত নিৰ্বাচনত মহিলাৰ বাবে পূৰ্বৰ ৩৩ শতাংশৰপৰা ৫০শতাংশলৈ আসন সংৰক্ষণৰ ব্যৱস্থা, অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান ৰূপায়ণ, বিধৱা আৰু অবিবাহিতা, নিবনুৱা তথা অকলশৰীয়া মহিলাৰ সবলীকৰণ আঁচনিৰ ৰূপায়ণ, মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধি আঁচনিৰ অধীনত মহিলা আত্মসহায়ক গোটলৈ পৰ্যাপ্ত সাহায্য প্ৰদান, নিৰাশ্ৰয় মহিলাৰ বাবে আবাসগৃহ নিৰ্মাণ, বহুমুখী প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু পুনৰ সংস্থাপন কেন্দ্ৰ স্থাপন, ৰাজীৱ গান্ধী কিশোৰী সবলীকৰণ আঁচনি (সবলা) ৰূপায়ণ, ইন্দিৰা গান্ধী মাতৃত্ব সহযোগী যোজনা ৰূপায়ণ ইত্যাদি। তদুপৰি গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে ২০১৫-১৬বৰ্ষত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি হিচাপে অসমৰ প্ৰতিটো বিধান সভা সমষ্টিৰ এহেজাৰ গৃহহীন পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে বেংকৰ জৰিয়তে ২৫,০০০টকাৰ আৰ্থিক সাহায্য, এহেজাৰটা মহিলা আত্মসহায়ক গোটক বেংকৰ জৰিয়তে ৫,০০০টকাকৈ আৰ্থিক সাহায্য, এহেজাৰজন কৃষকক কৃষিকৰ্মত প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ বাবে বেংকৰ জৰিয়তে ৫,০০০টকাকৈ আৰ্থিক সাহায্য, এহেজাৰজন ৰং মিস্ত্ৰী, ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী, মুচিক বেংকৰ জৰিয়তে ৫,০০০ টকাকৈ আৰ্থিক সাহায্য আৰু ডেৰহাজাৰগৰাকীকৈ ব্যক্তিক মুখ্যমন্ত্ৰীৰ বিশেষ বৃদ্ধপেঞ্চন প্ৰদান কৰা হৈছিল।

পিছে ২০১৬ চনত অগপ-বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাৰ পিছত পুনৰ তেওঁলোকে পঞ্চায়তীৰাজ ব্যৱস্থাত বিধি পথালি দিলে। ২০১৭চনত পূৰ্বৰ পঞ্চায়তৰ কাৰ্যকাল শেষ হোৱাৰ পিছতপঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিছিল যদিও নানাটা অজুহাত দেখুৱাই তেওঁলোকে এই নিৰ্বাচন বাৰম্বাৰ পিছুৱাই আছিল আৰু অৱশেষত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশতহে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বাধ্য হৈছে। এই আপাহতে আমি কংগ্ৰেছ দলৰ তৰফৰপৰা মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ক ধন্যবাদ জনাইছো। কিয়নো ন্যায়ালয়ে নিৰ্দেশ নিদিয়াহেঁতেন তেওঁলোকে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰিলেহেঁতেন আৰু ক্ষমতা লাভৰপৰা গাঁৱৰ মানুহ পুনৰবাৰ বঞ্চিত হ’লহেঁতেন। আটাইতকৈ ডাঙৰ কথা এয়ে যে ক্ষমতা হাতৰ মুঠিত ৰাখিবলৈ ভাল পোৱা আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণ নিবিচৰা বিজেপিয়ে কেন্দ্ৰ আৰু ৰাজ্যত শাসন ক্ষমতা হস্তগত কৰাৰ পিছত পঞ্চায়তীৰাজ ব্যৱস্থাটোকে গুৰুত্বহীন কৰি তুলিছে। বিজেপি শাসনলৈ অহাৰ পিছত সমগ্ৰ পঞ্চায়তীৰাজ ব্যৱস্থাটো বিধ্বস্তপ্ৰায় হৈ পৰিছে। চতুৰ্দশ বিত্ত আয়োগৰ বিধি অনুসৰি জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তক বিত্তীয় সাহাৰ্যৰপৰা বঞ্চিত কৰা হয়। এইক্ষেত্ৰত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তসমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ দায়িত্ব ৰাজ্যিক বিত্ত আয়োগক প্ৰদান কৰা হৈছিল যদিও অসমৰ বিজেপি চৰকাৰে পঞ্চম ৰাজ্যিক বিত্ত আয়োগৰ জৰিয়তে জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তসমূহলৈ কাৰ্যতঃ আৰ্থিক অনুদান আগবঢ়োৱা নাই বুলিব পাৰি। নামমাত্ৰ যি ধন আৱণ্টন দিছে স্পষ্ট নীতি নিৰ্দেশনাৰ অভাৱত পঞ্চায়তসমূহে

ব্যয় কৰিব পৰা নাই। ফলত সামগ্ৰিকভাৱে পঞ্চায়তীৰাজ ব্যৱস্থাটোৱেই স্থৱিৰ হৈ পৰিছে আৰু গাঁৱৰ উন্নয়ন সম্পূৰ্ণভাৱে স্তব্ধ হৈ পৰিছে। বিজেপি চৰকাৰে আনকি পূৰ্বৰ কংগ্ৰেছ চৰকাৰে প্ৰৱৰ্তন তথা ৰূপায়ন কৰি থৈ যোৱা পঞ্চায়ত প্ৰতিনিধিসকলক মাহিলী দিবলগীয়া ন্যূনতম পাৰিতোষিকখিনিও দিয়া নাই। কংগ্ৰেছে পঞ্চায়ত ব্যৱস্থাটোক আধুনিকীকৰণৰ উদ্যোগ লৈছিল, আন্তঃ গাথনিৰ উন্নয়নৰ বাবে প্ৰত্যেক পঞ্চায়তক যাৱতীয় পুঁজিৰ আৱণ্টন দিছিল আৰু পঞ্চায়তসমূহত গাণনিক আৰু কম্পিউটাৰ অপাৰেটৰ নিয়োগ কৰি তথ্য প্ৰযুক্তিৰ পৃথিৱীখনৰ সৈতেও সংযোগ স্থাপন কৰিছিল। পিছে বৰ্তমানৰ চৰকাৰে এইসমূহ ধ্বংসৰ গৰাহলৈ থেলি দিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত পঞ্চায়তৰ জৰিয়তে ৰূপায়ন কৰা এম জি এনৰেগা আঁচনিৰদ্বাৰা গাঁৱৰ দুখীয়া লোকসকল উপকৃত হৈছিল। বৰ্তমান এই কামত জেচিবি, ডাম্পাৰ আদি ব্যৱহাৰ কৰি ঠিকাদাৰী ব্যৱস্থাৰে গাঁৱৰ মানুহৰ মুখৰ ভাত কাঢ়ি লোৱা হৈছে। কেৱল এয়ে নহয়, ২০১৬চনত অগপ-বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাৰ পিছত বৰ্তমানলৈ বিগত প্ৰায় আঢ়ৈ বছৰত চৰকাৰখনে গাঁৱৰ মানুহক যথেষ্ট জ্বলা-ক'লা খুৱাইছে। দুখীয়া ৰাইজক সকাহ দিয়াৰ লক্ষ্যৰে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে পঞ্চায়তৰ জৰিয়তে ৰূপায়ন কৰা ১৩৩ বিধ আঁচনি বিজেপিয়ে ইতিমধ্যে বন্ধ কৰি দিছে।

শ্ৰদ্ধাৰ ৰাইজ,

এই পঞ্চায়ত নিৰ্বাচন অসমৰ ৰাইজৰ বাবে কেইবাটাও কাৰণত খুবেই গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। কিয়নো বৰ্তমান আমি জাতীয় জীৱনৰ এক সন্ধিক্ষণত উপনীত হৈছো। উন্নয়ন দূৰৰ কথা, বৰ্তমান বিজেপি আমোলত অসমৰ মানুহে নিজৰ অস্তিত্বক লৈ সংগ্ৰাম কৰিবলগীয়া এক পৰিস্থিতিৰ উদ্ভৱ হৈছে। কংগ্ৰেছৰ দিনত আলফাকে ধৰি বেছিভাগ উগ্ৰপন্থী সংগঠনে শান্তি আলোচনাৰ প্ৰতি আগ্ৰহী হোৱাৰ বিপৰীতে শেহতীয়াভাৱে বুজন সংখ্যক যুৱক-যুৱতী পুনৰ আলফালৈ যোৱা ঘটনা পোহৰলৈ আহিছে। ই কি সূচায়? আমি সকলোৱে জানো যে আমাৰ ৰাজ্যখনৰ এটা প্ৰধান সমস্যা হৈছে অনুপ্ৰৱেশৰ সমস্যা। এই সমস্যাৰ এক স্থায়ী সমাধানৰ স্বাৰ্থতে অসম চুক্তি স্বাক্ষৰিত হৈছিল। দীৰ্ঘদিনীয়া বিদেশী সমস্যাৰ সমাধান আৰু অসমৰ স্থায়ী শান্তিৰ স্বাৰ্থত দেশৰ তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই বিশেষ উদ্যোগ লৈ আৰু নিজে উপস্থিত থাকি অসম চুক্তি সম্পাদন কৰিছিল আৰু দেশৰ সৰ্বোচ্চ ন্যায়ালয়েও বৈধ বুলি কোৱা হিতেশ্বৰ শইকীয়াদেৱ নেতৃত্বাধীন অসম চৰকাৰখন ভংগ কৰি দিছিল। ৰাজীৱ গান্ধী ডাঙৰীয়াই এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে যদিহে এনে এক চুক্তিৰ জৰিয়তে অনুপ্ৰৱেশকাৰীক বাধা দিয়া নহয়, তেনেহ'লে অসমলৈ অনুপ্ৰৱেশ ঘটিয়েই থাকিব আৰু এনে হ'লে এটা সময়ত অসমৰ মানুহৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক অস্তিত্ব বিপন্ন হৈ পৰিব। এনে সময়োপযোগী উপলব্ধিৰ বাবেই সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অসমৰপৰা বিদেশী বহিষ্কৰণৰ দাবীত চলা ছয় বছৰীয়া ঐতিহাসিক অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল, ১৯৮৫চনৰ ১৫ আগষ্টত অসম চুক্তি স্বাক্ষৰিত হৈছিল আৰু সংবিধান সংশোধনীৰ জৰিয়তে অসমৰ ভয়াৱহ বিদেশীৰ সমস্যাই সাংবিধানিক স্বীকৃতি লাভ কৰিছিল। ঐতিহাসিক অসম চুক্তি অনুসৰি ভাৰতবৰ্ষৰ

সংবিধানত নতুনকৈ ষষ্ঠ (ক) দফা সংযোজন কৰি তাতঅসমত থকা বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫মাৰ্চ ধাৰ্য কৰা হৈছিল আৰু ইয়াক অসমৰ দল-মত নিৰ্বিশেষে সকলো ৰাজনৈতিক দল আৰু সংগঠনে গ্ৰহণ কৰিছিল। এই অনুসৰি ১৯৭১ চনৰ ২৫মাৰ্চৰ পিছত কোনো লোক অসমলৈ অনুপ্ৰৱেশকাৰী হিচাপে আহিব নোৱাৰিব আৰু যদি আহে তেন্তে তেওঁলোকক বিদেশী হিচাপে গণ্য কৰি বহিষ্কাৰ কৰা হ'ব। অসমৰ খিলঞ্জীয়া মানুহৰ অস্তিত্ব সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থতে এনে কৰা হৈছিল। ইয়াৰ অংশ হিচাপেই কংগ্ৰেছ দলে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ ব্যৱস্থা কৰিছিল। ৰাজ্য আৰু কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ থকাৰ সময়তে ২০০৫ চনৰ ৫ মে'ত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱ আৰু দেশৰ তদানীন্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিং ডাঙৰীয়াৰ বিশেষ উদ্যোগত আছু, কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত প্ৰধানমন্ত্ৰী পৰ্যায়ৰ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছিল আৰু এই বৈঠকতে অসম চুক্তিৰ আধাৰত ১৯৭১ চনৰ ২৫মাৰ্চক ভিত্তিবৰ্ষ হিচাপে লৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, অৰ্থাৎ এন আৰ চি উন্নীতকৰণৰ সিদ্ধান্ত লোৱা হৈছিল। পৰৱৰ্তী সময়ত বিভিন্ন দল-সংগঠনৰ সৈতে আলোচনা কৰি ইয়াৰ মডেলিটী প্ৰস্তুত কৰা হৈছিল আৰু ভাৰতৰ মহাপঞ্জীয়কে ইয়াত অনুমোদন জনাইছিল। কেৱল ইমানেই নহয়, অসমৰ তদানীন্তন কংগ্ৰেছ চৰকাৰেই ৰাজ্যিক সমন্বয়ক নিযুক্তি দি তথা যাৱতীয় পুঁজিৰ যোগান ধৰি এন আৰ চি উন্নীতকৰণৰ কামটো দ্ৰুতগতিত আগবঢ়াই নিছিল। বৰ্তমান দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ পৰ্যৱেক্ষণত এন আৰ চি উন্নীতকৰণৰ কাম চলি আছে আৰু ইতিমধ্যে ইয়াৰ চূড়ান্ত খচৰা প্ৰকাশ পাইছে। এই চূড়ান্ত খচৰাত প্ৰায় চল্লিশ লাখ মানুহৰ নাম বাদ পৰিছে আৰু ইয়াৰে বহু সংখ্যক ভাৰতীয় নাগৰিক বুলি অভিযোগ উঠিছে। আমিও অতি উদ্বেগেৰে লক্ষ্য কৰিছো যে সঁচাকৈয়ে এন আৰ চিৰ চূড়ান্ত খচৰাত বহু ভাৰতীয় মানুহৰ নাম, খিলঞ্জীয়া মানুহৰ নাম, আনকি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰপৰা চাকৰি,ব্যৱসায়, পঢ়া-শুনা, বিবাহ আদি সূত্ৰে অসমলৈ আহি ইয়াত স্থায়ীভাৱে বসবাস কৰা বহু মানুহৰ নাম এই এন আৰ চিৰ খচৰা তালিকাত বাদ পৰিছে। ই আমাৰ ৰাজ্যখনত এক সামাজিক উত্তেজনাৰ সৃষ্টি কৰিছে আৰু বহু মানুহক অনিশ্চিত ভৱিষ্যতৰ দিশে ঠেলি দিছে। এইকথাত অলপো সন্দেহ নাই যে চৰকাৰৰ অমনোযোগিতাৰ বাবেই, অদক্ষতাৰ বাবেই , মইমতালিৰ বাবেই আৰু ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰ বাবেই ৰাজ্যখনত এনে এক অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি হৈছে। এন আৰ চি সন্দৰ্ভত আমাৰ কংগ্ৰেছ দলৰ স্থিতি স্পষ্ট। আমি এইক্ষেত্ৰত অসম চুক্তি আখৰে আখৰে পালন হোৱাটো বিচাৰো। বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে অসম চুক্তিয়ে নিৰ্ধাৰণ কৰি দিয়া ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫মাৰ্চৰ আগত অহা এজনো লোকৰ নাম এন আৰ চিৰপৰা বাদ পৰিব নোৱাৰিব আৰু এই সময় সীমাৰ পিছত অহা এজনো লোকৰ নাম এন আৰ চিত অন্তৰ্ভুক্ত হ'ব নোৱাৰিব, তেওঁ যি ধৰ্মৰ লোকেই নহওঁক কিয়। এই কথা আমি বাৰম্বাৰ স্পষ্ট কৰি দিছো। এইখিনিতে উল্লেখ কৰাৰ প্ৰয়োজন যে এন আৰ চিৰ চূড়ান্ত খচৰাত বাদ পৰা প্ৰতিজন ভাৰতীয় মানুহৰ কাষত কংগ্ৰেছ দল আছে আৰু থাকিব। যিসকল ভাৰতীয় মানুহৰ নাম খচৰাত বাদ পৰিছে তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে কংগ্ৰেছ দলে ইতিমধ্যে সকলো

ব্যৱস্থা গ্ৰহণ কৰিছে। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰদান কৰাকে ধৰি দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱালৈকে কংগ্ৰেছ দলে সকলোখিনি কৰিছে আৰু ভৱিষ্যতেও কৰণীয়খিনি কৰি যাব যাতে এজনো ভাৰতীয় মানুহৰ নাম এন আৰ চিৰপৰা বাদ নপৰে। সি যি কি নহওঁক, অসমৰ মানুহৰ আশা আকাংক্ষাৰ মাজেৰে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াটো এইদৰে বহুদূৰ আগুৱাই যোৱাৰ মাজতে বিজেপি চৰকাৰে নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ জাপি দি ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ অহা মূলতঃ হিন্দু বাংলাদেশীসকলক নাগৰিকত্ব প্ৰদানেৰে সংস্থাপিত কৰিবলৈ বিচাৰিছে। সাম্প্ৰদায়িক ৰাজনীতিৰ স্বাৰ্থত জাপি দিয়া এই বিতৰ্কিত বিধেয়কখনৰ জৰিয়তে বিজেপিয়ে অসমীয়া জাতিক ধ্বংসৰ গৰাহলৈ থেলি দিয়াই নহয়, ঐতিহাসিক অসম চুক্তিকো নস্যাৎ কৰিবলৈ বিচাৰিছে। বিধেয়কখন গৃহিত হ'লে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াটোও অথলে যাব আৰু এন আৰ চি উন্নীতকৰণৰ মূল লক্ষ্য আৰু উদ্দেশ্যও অৰ্থহীন হৈ পৰিব। অথলে যাব অসম চুক্তি আৰু ঐতিহাসিক অসম আন্দোলনত প্ৰাণ হেৰুওৱা ৮৫৫ জন ছহিদৰ সেই ত্যাগ। আচৰিত কথা এয়ে যে অসম আন্দোলনৰ মাজেদি আহি শাসনৰ গাদীত বহা অগপয়ো সেই বিজেপি দলৰ সৈতে লগ লাগি বৰ্তমান অসমত চৰকাৰ চলাই আছে যি বিজেপিয়ে জাতি ধ্বংসী নাগৰিকত্ব সংশোধনী বিধেয়ক জাপি দিবলৈ ওলাইছে। যি বিতৰ্কিত বিধেয়কে অসম চুক্তিক নস্যাৎ কৰিছে, চৰকাৰৰ অংশীদাৰ হৈ থাকি পৰোক্ষভাৱে সেই বিধেয়কখনকে সমৰ্থন কৰিছে এসময়ত অসম চুক্তিত স্বাক্ষৰ কৰা বৰ্তমানৰ অগপ নেতাসকলেই। ইয়াতকৈ পৰিতাপৰ কথা আৰু কি হ'ব পাৰে? কেৱল ক্ষমতাত অধিষ্ঠিত হৈ থকাৰ স্বাৰ্থত জাতি-মাটি-ভেটি বন্ধকত থ'বলৈ কুণ্ঠাবোধ নকৰা অগপই মুখত বিধেয়কখনৰ বিৰোধিতা কৰাটো হাস্যকৰ। অগপই যদি বিধেয়কখন নিবিচাৰেই তেন্তে চৰকাৰৰপৰা ওলাই আহি বিধেয়কখন বাতিল কৰিবলৈ বিজেপিক বাধ্য নকৰে কিয়? ক্ষমতা লোভী অগপৰ এই দুমুখীয়া চৰিত্ৰ ইতিমধ্যে ৰাইজে বুজি উঠিছে। সহজ ভাষাত ক'বলৈ গ'লে জাতি-মাটি-ভেটি ৰক্ষাৰ শ্লোগান দি শাসন ক্ষমতালৈ অহা বিজেপিয়ে এতিয়া নাগৰিকত্ব সংশোধনী বিধেয়কৰ জৰিয়তে জাতি ধ্বংসৰ ষড়যন্ত্ৰত লিপ্ত হৈছে আৰু এই জাতিধ্বংসী কামত হাত উজান দিছে অগপই। নাগৰিকত্ব সংশোধনী বিধেয়কৰ ক্ষেত্ৰতো কংগ্ৰেছ দলৰ স্থিতি স্পষ্ট। কোনো কাৰণতে অসমৰ মানুহৰ আবেগ অনুভূতি জড়িত হৈ থকা ঐতিহাসিক অসম চুক্তি উলংঘা কৰিবলৈ দিয়া নহ'ব। ভাৰতবৰ্ষৰ দৰে এখন ধৰ্ম নিৰপেক্ষ দেশত ধৰ্মৰ নামত নাগৰিকত্ব প্ৰদানৰ প্ৰশ্নই উঠিব নোৱাৰে। অসম চুক্তিয়ে নিৰ্ধাৰণ কৰি দিয়া ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অসমলৈ অহা এজনো বিদেশীৰ বোজা মানি ল'বলৈ কংগ্ৰেছ প্ৰস্তুত নহয়। নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিলৰ দাবীত কংগ্ৰেছ দলে ইতিমধ্যে যুটীয়া সংসদীয় কমিটীক আনুষ্ঠানিকভাৱে দাবী পত্ৰ প্ৰদান কৰাই নহয়, আন্দোলনৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে। ভৱিষ্যতেও বিধেয়কখনৰ বিৰুদ্ধে কংগ্ৰেছে যুঁজ দি যাব।

শ্ৰদ্ধাৰ ৰাইজ,

আপোনালোক সকলোৱে জানে যে দেশবাসীক 'অচ্ছে দিন'ৰ মিছা সপোন দেখুৱাই ২০১৪ চনত কেন্দ্ৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰ আৰু 'জাতি -মাটি-ভেঁটি' ৰক্ষাৰ শ্ল'গান দি

২০১৬চনত ৰাজ্যত সৰ্বানন্দ সোনোৱাল নেতৃত্বাধীন অগপ-বিজেপি মিত্ৰজোঁটৰ চৰকাৰ প্ৰতিষ্ঠা হৈছিল। নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ প্ৰক্ষেপিত প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী মোদী ডাঙৰীয়াই চৰকাৰ গঠনৰ ১০০দিনৰ ভিতৰত বিদেশত জমা থকা ক'লা ধন দেশলৈ ঘূৰাই আনি প্ৰতি ভাৰতীয়ৰ বেংক একাউন্টত ১৫লাখকৈ টকা ভৰাই দিয়া, বছৰি ২ কোটি নিবনুৱাক চাকৰি দিয়া, ২০১৪ চনৰ ১৬ মে'ৰ পিছত অসমৰপৰা সকলো অবৈধ বাংলাদেশীক টালি-টোপোলাসহ বিতাড়ন কৰা, বৃহৎ নদীবান্ধ বন্ধ কৰা, বুলেট ট্ৰেইন চলোৱা, দুৰ্নীতি নিৰ্মূল কৰা আদি বিভিন্ন প্ৰতিশ্ৰুতি দিছিল যদিও শাসন ক্ষমতালৈ অহাৰ পিছত ইয়াৰ এটাও পূৰণ নকৰিলে। ইয়াৰ বিপৰীতে সমগ্ৰ দেশতে সাম্প্ৰদায়িক বিষবাষ্প বিয়পি পৰা দেখা গ'ল, নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি হ'ল, কংগ্ৰেছৰ দিনত চাৰিশ টকাতে কিনিবলৈ পোৱা পাকঘৰৰ চিলিণ্ডাৰটোৰ দাম প্ৰায় এহেজাৰ টকালৈ বৃদ্ধি হ'ল, টকাৰ মূল্য দিনক দিনে কমি গ'ল, গাঁৱৰ মানুহক সকাহ দিয়া এমজিএনৰেগা আঁচনি মৃত্যুমুখী হ'ল, চিবিআই-ইউজিচি-আৰবিআইৰ দৰে দেশৰ স্বতন্ত্ৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ স্বাধীনতা খৰ্ব কৰা হ'ল, কোম্পানীৰ হাতত দেশৰ ঐতিহ্য গতাই দিয়া হ'ল, নিশাৰ ভিতৰতে বিমুদ্ৰাকৰণৰ জৰিয়তে পাঁচশটকীয়া আৰু এহেজাৰটকীয়া নোট বন্ধ কৰি সাধাৰণ মানুহক হাৰাশাস্তি কৰা হ'ল, গৃহিণীসকলক চোৰ সজোৱা হ'ল, জিএছটিৰ জৰিয়তে মূলতঃ ক্ষুদ্ৰ ব্যৱসায়ীসকলক মাধমাৰ শোধোৱা হ'ল, অসমৰপৰা বিশেষ ৰাজ্যৰ মৰ্যাদা উঠাই দিয়া হ'ল, ইত্যাদি ইত্যাদি। সেইদৰেই অসমতো জাতি-মাটি-ভেঁটি ৰক্ষাৰ শ্ল'গান দি শাসন ক্ষমতালৈ অহা অগপ-বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে শাসনলৈ আহিয়েই জাতি-মাটি-ভেটি বিক্ৰী কৰিবলৈহে উঠি-পৰি লগা পৰিলক্ষিত হ'ল। সেয়ে এই কথাত অলপো সন্দেহ নাই যে অসম আৰু অসমীয়াৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত আমি জাতিৰ সৈতে বিশ্বাসঘাটকতা কৰা অগপ-বিজেপিক ৰুধিবই লাগিব। যুগ যুগ ধৰি হিন্দু-মুছলমান সকলোৱে সমিলমিলেৰে বসবাস কৰি অহা শংকৰ-আজানৰ এই মিলনভূমিৰপৰা আমি যদি সাম্প্ৰদায়িক ৰাজনীতিক বিদায় দিবলৈ বিচাৰো, আমি যদি অসমখনক বিদেশীৰ চৰণীয়া পথাৰ হোৱাৰপৰা ৰক্ষা কৰিবলৈ বিচাৰো, আমি যদি মূলতঃ হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানেৰে সংস্থাপিত কৰিবলৈ বিচৰা জাতিধ্বংসী নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিল হোৱাটো বিচাৰো, আমি যদি আমাৰ সতি-সন্ততিক এখন সুৰক্ষিত অসমত এৰি থৈ যাবলৈ বিচাৰো, আমি যদি প্ৰকৃত অৰ্থত উন্নয়ন বিচাৰো আৰু গাঁৱৰ মানুহৰ হাতলৈ ক্ষমতা হস্তান্তৰ হোৱাটো বিচাৰো, তেনেহ'লে তৃণমূল পৰ্যায়ৰপৰাই অগপ-বিজেপিৰ বিৰুদ্ধে প্ৰবল প্ৰতিৰোধ গঢ়ি তুলিব লাগিব। জাতি-মাটি-ভেটি ৰক্ষাৰ শ্লোগানেৰে মানুহক আবেগিক কৰি শাসন ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত এতিয়া জাতি-মাটি-ভেটি বন্ধকত থবলৈ কুণ্ঠাবোধ নকৰা অগপ-বিজেপিক এসেকা দিয়াৰ সুযোগ ৰাইজৰ সন্মুখলৈ আহিছে ।পঞ্চায়ত নিৰ্বাচনৰ জৰিয়তে অহা এই সুযোগৰ সদব্যৱহাৰ কৰি গাঁৱৰ ৰাইজে তৃণমূলৰপৰাই অগপ-বিজেপিক বিদায় দিব পাৰিলেহে সমাগত লোকসভা আৰু বিধানসভা নিৰ্বাচনতো তেওঁলোকক বিদায় দিয়াটো সম্ভৱ হ'ব। এনে পৰিপ্ৰেক্ষিততে প্ৰকৃত উন্নয়ন আৰু গাঁৱৰ মানুহৰ হাতলৈ সঁচা অৰ্থত ক্ষমতা হস্তান্তৰৰ স্বাৰ্থত সমাগত পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলক হাতৰ চিনত ভোট দি জয়যুক্ত কৰিবলৈ বিনম্ৰভাৱে অনুৰোধ জনালো। ধন্যবাদ। জয় আই অসম। জয় হিন্দ।